তোমালোকৰ মাজৰ কোনোবাই যেতিয়া মছজিদত প্ৰৱেশ কৰে তেতিয়া তেওঁ এই দুআ পঢ়া উচিতঃ "আল্লাহুম্মাফ তাহলী আবৱাবা ৰাহমাতিক", (অৰ্থঃ হে আল্লাহ! মোৰ বাবে তোমাৰ ৰহমতৰ দুৱাৰসমূহ খুলি দিয়া), আৰু ওলোৱাৰ সময়ত এই দুআ পঢ়া উচিতঃ "আল্লাহুম্মা ইন্নি আছআলুকা মিন ফাজলিক", (অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত তোমাৰ অনুগ্ৰহ কামনা কৰোঁ)।

আবু হুমাইদ অথবা আবু উছাইদৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ তোমালোকৰ মাজৰ কোনোবাই যেতিয়া মছজিদত প্ৰৱেশ কৰে তেতিয়া তেওঁ
এই দুআ পঢ়া উচিতঃ "আল্লাহুম্মাফ তাহলী আবৱাবা ৰাহমাতিক", (অৰ্থঃ হে আল্লাহ! মোৰ
বাবে তোমাৰ ৰহমতৰ দুৱাৰসমূহ খুলি দিয়া), আৰু ওলোৱাৰ সময়ত এই দুআ পঢ়া উচিতঃ "আল্লাহুম্মা ইন্নি আছআলুকা মিন ফাজলিক", (অৰ্থঃ হে আল্লাহ! মই তোমাৰ ওচৰত তোমাৰ অনুগ্ৰহ কামনা কৰোঁ)।
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁৰ উম্মতীসকলক নিৰ্দেশনা দি কৈছে যে, মছজিদত প্ৰৱেশ কৰাৰ সময়ত এই দুআ পাঠ কৰা উচিত। ("আল্লাহুম্মাফ তাহলী আবৱাবা ৰাহমাতিক") অৰ্থাৎ আল্লাহৰ ওচৰত এই দুআ কৰা উচিত যে, যাতে আল্লাহে তাৰ বাবে ৰহমতৰ যাৱতীয় উপায় সহজ কৰি দিয়ে। আনহাতে ওলোৱাৰ সময়ত এই দুআ কোৱা উচিতঃ ("আল্লাহুম্মা ইন্নি আছআলুকা মিন ফাজলিক") অৰ্থাৎ আল্লাহৰ ওচৰত এই দুআ কৰা উচিত যাতে আল্লাহে আৰু অধিক হালাল জীৱিকা প্ৰদান কৰি এহছান কৰে।

http://www.sunnah.global/hadeeth/as/show/65092